# লেখক মঞ্চ, অসম

## ঘোষণা-পত্ৰ (প্ৰস্তাৱনা)

OKDISCD

মুখ্য কাৰ্য্যালয়
গুৱাহাটী

# লেখক মঞ্চ, অসম

## ঘোষণা-পত্ৰ (প্ৰস্তাৱনা)

[১] সুস্থ আদৰ্শগত চেতনাইহে জন-সাধাৰণৰ পৰিৱৰ্তনকামী সংগ্ৰামসমূহ সাফল্যমণ্ডিত কৰিব পাৰে। সুস্থ আদৰ্শগত চেতনা আনহাতে সমাজৰ সমূহীয়া সৃষ্টি (Collective production)-ই কোনো ঈশ্বৰ-প্ৰদত্ত প্ৰজ্ঞা নহয় নাইবা কোনো একক ব্যক্তিৰ সাধনাৰ ফলতো ইয়াৰ জন্ম আৰু বিকাশ নহয়।

গতিকে মানুহৰ সমাজ-বৈজ্ঞানিক অনুসন্ধানৰ অবিৰত প্ৰচেষ্টাৰ ফলতহে সঠিক সামাজিক চেতনাৰ বিকাশ ঘটিছে। মানুহ প্ৰকৃতাৰ্থত সামাজিক প্ৰাণী আৰু প্ৰকৃত মানুহ হোৱাৰ পথেদি আগবাঢ়িছে এনে এক অবিৰত প্ৰচেষ্টাৰ জৰিয়তেহে। আমাৰ এই প্ৰচেষ্টাও মানুহৰ সামাজিক-বৈজ্ঞানিক প্ৰচেষ্টাৰ এক অঙ্গ মাত্ৰ।

[২] মানুহৰ এই পৰিবৰ্তনশীল সামাজিক প্ৰচেষ্টাত বুদ্ধিজীৱী বা ধীমান ব্যক্তিসকল, শিল্পী-সাহিত্যিক তথা কলা-কুশলীসকলৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। কাৰণ, সমাজৰ সকলো ঘটনা আৰু কাম-কাজৰে সঠিক বিশ্লেষণ কৰিব পৰা মানুহৰ উত্তৰোত্তৰ উন্নতিৰ প্ৰয়াস কৰিব পৰা ক্ষমতা কেৱল এই শ্ৰেণীৰ মানুহৰে আটাইতকৈ বেছি। এই শ্ৰেণীৰ লোকসকলে



OKDISCD

সমাজৰ প্ৰধান উৎপাদক জন-শক্তি শ্ৰমিক আৰু কৃষকসকলৰ জীৱনৰ পুংখানুপুংখ অধ্যয়নৰ ভিত্তিত সেই শ্ৰেণীৰ লগত সুসম্পৰ্ক গঢ়ি তুলিব পাৰে, এনে বৌদ্ধিক কৰ্মৰ ভিত্তিতে নিজৰ সৃষ্টিশীল কৰ্মসমূহক জনমুখী কৰি তুলিব পাৰে আৰু এনে এক জনমুখী কাৰ্যৰ জৰিয়তে কেৱল নিজৰ সৃষ্টিকে জনমুখী আৰু মহীয়ান কৰি তুলিব পাৰে— সেইটো নহয়; জন-সাধাৰণৰ মাজলৈ নিজে লাভ কৰা চেতনাখিনিকো লৈ যাব পাৰে। গতিকে, এই শ্ৰেণীৰ সৃষ্টিশীল আৰু চিন্তাশীল মানুহখিনিয়ে সমাজৰপৰা নিজৰ বীক্ষা গ্ৰহণ কৰে আৰু সমাজক নিজৰ চেতনালব্ধ বীক্ষা প্ৰদান কৰে। কামৰ পৰা জ্ঞানলৈ আৰু জ্ঞানৰ পৰা কামলৈ— এক অন্তবিহীন আদান-প্ৰদানৰ প্ৰক্ৰিয়াৰে এই সৃষ্টিশীল, চিন্তাশীল মানুহখিনিয়ে সমাজৰ উত্তৰোত্তৰ-শ্ৰীবৃদ্ধিৰ ভিত্তি নিৰ্মাণ কৰে।

[৩] মানুহৰ এই অন্তবিহীন চিন্তা আৰু সৃষ্টিৰ গতিপথত কিন্তু চিৰ স্বাধীন বা বাধাহীন অৱস্থা এটা এতিয়ালৈকে সৃষ্টি হোৱা নাই। বিভিন্ন কাৰণত সমাজৰ বস্তুগত উৎপাদন আৰু বজাৰ নিয়ন্ত্ৰণ কৰা শক্তিসমূহে মানুহৰ চিন্তা আৰু সৃষ্টিৰ প্ৰেৰণাক নিজৰ হাতৰ মুঠিত ৰখাৰ প্ৰয়াস অব্যাহত ৰাখিছে। এইটো তেনেই সহজবোধ্য কথা। যাৰ হাতত ভাত, কাপোৰ আৰু ইটা-লোহা-প্ৰযুক্তি আছে সেইবিলাক শক্তিয়েই চিন্তা আৰু চেতনাৰ বিকাশৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰাৰ অবিৰত প্ৰচেষ্টা কৰি আহিছে। ধীমান লোকসকলে অৱশ্যে এই বস্তুজগতৰ নিৰ্দ্ধাৰিত সীমাবোৰ অতিক্ৰম কৰি মানুহৰ সমাজখন অধিকতৰ মুক্ত আৰু বিকাশশীল কৰিবৰ বাবে অহৰহ প্ৰয়াস কৰি আহিছে। ধীমান লোকসকলৰ এই প্ৰয়াস সাধাৰণ-উৎপাদনশীল মানুহখিনিৰ অৰ্থাৎ ভাত-কাপোৰ যোগান ধৰা মানুহখিনিৰ জীয়াই থকাৰ প্ৰচেষ্টাৰ লগত সংযুক্ত হ'লেহে— প্ৰকৃতাৰ্থত বিকাশৰ পথ ত্বৰান্বিত হ'ব পাৰে। এই অৰ্থতে, সৃষ্টিৰ আৰু বিকাশৰ গায়ত্ৰী মন্ত্ৰ আমাৰ সমাজ-জীৱনৰ ৰূপান্তৰমুখী কৰ্মৰ লগত-জড়িত আছে বুলি কোৱা হয়।

OKDISCD

মানুহৰ সমাজৰ বিকাশ বা ৰূপান্তৰৰ স্তৰে স্তৰে ৰূপান্তৰ বিচৰা সাধাৰণ মানুহখিনিৰ লগত ধীমানলোক—বুদ্ধিজীৱী, শিল্পী-সাহিত্যিক, কলা-কুশলীসকলৰ ঘনিষ্ঠ সহযোগ হ'লেহে পৰিবৰ্তনৰ যুঁজ এখন সাফল্যমণ্ডিত হ'ব পাৰে। আমি আৰম্ভণিতে এই কথা স্পষ্ট কৰি দিয়াৰ প্ৰয়োজন বোধ কৰিছো যে আমাৰ লক্ষ্য আৰু উদ্দেশ্যই হ'ল মূলতঃ ৰূপান্তৰ বিচৰা মানুহখিনিৰ লগত ধীমান লোকসকলৰ নিষ্ঠাপূৰ্ণ সহযোগিতাৰ এক ভিত্তি ৰচনা কৰা।

[৪] ৰূপান্তৰ সম্পৰ্কে অৱশ্যে নানা বিজ্ঞ ব্যক্তিৰ নানা মত। আমি মূলতঃ সমাজতাত্বিক বিপ্লৱী মণীযীসকলে প্ৰদৰ্শন কৰা ৰূপান্তৰ তত্ত্বকে সঠিক বুলি গ্ৰহণ কৰিছো আৰু প্ৰয়োজন সাপেক্ষে এনে তত্বৰ বাস্তৱ-প্ৰয়োগৰ ভিত্তিত ৰূপান্তৰৰ প্ৰয়োজনো মানি লৈছো। সাধাৰণভাৱে এই তত্ব অনুসৰি মানৱজাতিৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে সকলো ধৰণৰ শোষণভিত্তিক ব্যৱস্থাৰ ৰূপান্তৰৰ ওপৰত। এই ৰূপান্তৰ জন-সাধাৰণে নিজৰ ক্ষমতা আৰু চেতনাৰ সাধ্যৰ ভিতৰত কৰি আছে। সাধাৰণ মানুহে যদিও অন্ন-বস্ত্ৰ-সংস্থান আৰু সামাজিক-ৰাজনৈতিক সমতাৰ যুঁজখন গণতান্ত্ৰিক ভাৱেই সদায় আগবঢ়াই নিয়াৰ প্ৰচেষ্টা কৰে, তথাপি ৰূপান্তৰ বিৰোধী শক্তিবোৰৰ ভূমিকাৰ ওপৰত ভিত্তি কৰি এনে ৰূপান্তৰকামী যুঁজে বিভিন্ন ৰূপ গ্ৰহণ কৰে। নিপীড়ক বা ৰূপান্তৰ-বিৰোধী শক্তিসমূহ অগণতান্ত্ৰিক হ'লে ৰূপান্তৰৰ যুঁজখনো হৈ পৰে বৈপ্লৱিক ধৰণৰ। আমি সেয়ে দেখা পাওঁ আদিম দাসতন্ত্ৰৰ উৎখাট কৰিবৰ বাবে নানা বিদ্ৰোহ, ভূমিদাস প্ৰথাৰ অৱসান বা সামন্ততান্ত্ৰিক ৰাজতন্ত্ৰৰ অৱসান ঘটাবৰ বাবে, পুঁজিতান্ত্ৰিক শোষণৰ অৱসান ঘটাবৰ বাবে সংগ্ৰামে কেতিয়াবা হিংস্ৰৰূপ পৰিগ্ৰহ কৰিছে। এনে হিংস্ৰ পৰিবৰ্তনকামী সংগ্ৰাম মূলতঃ ৰূপান্তৰ বিৰোধী শক্তিবোৰৰ হিংস্ৰতাৰ ফল। গতিকে, ৰূপান্তৰবিৰোধী শক্তিবোৰৰ হিংস্ৰতাৰ বিৰুদ্ধে মানৱীয় সমতা আৰু শোষণমুক্ত সমাজ-সংস্কৃতি নিৰ্মাণৰ ক্ষেত্ৰত বুদ্ধিজীৱী, শিল্পী-

সাহিত্যিকসকলে নিপীড়িত শ্ৰেণীৰ মানুহৰ পক্ষে থিয় হোৱাটো আমি আমাৰ দায়বদ্ধতা বুলি গণ্য কৰিছো।

[৫] প্ৰশ্ন উঠে বৰ্তমান পৰ্বত আমাৰ দায়বদ্ধতা প্ৰসঙ্গত। বৰ্তমান পৰ্বটো ১৯৯১ চনৰ পাছৰ পৰ্ব। এই পৰ্বটোক নগ্নৰূপত 'গোলকীয়' পৰ্ব বুলি কোৱা হয়। এই পৰ্বটোৰ সূচনা হৈছে বৰ্তমান যুগৰ উৎপাদন ব্যৱস্থাৰ প্ৰধান আহিলা পুঁজিৰ নিয়ন্ত্ৰণ গোলকীয় হোৱাৰ ফলত। ই প্ৰকৃততে পুঁজি আৰু প্ৰযুক্তিৰ বিকাশৰ স্বাভাৱিক পৰিণতি কিন্তু এই পৰিণতিক বিশ্বৰ শক্তিশালী পুঁজিপতিসকলে নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিছে।

থোৰতে ক'বলৈ গ'লে কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত, দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিৰ পৰ্বৰে পৰা আমাৰ অৰ্থনীতি আৰু ৰাজনীতিত কিছুমান অতি যুগান্তকাৰী পৰিবৰ্তন ঘটিছে—যিবোৰ পৰিবৰ্তনৰ ফলত পূৰ্বৰ জাতিগত ৰাষ্ট্ৰৰ সীমাবোৰ প্ৰায় নিৰৰ্থক হৈ পৰিছে।

বিত্তৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সীমাৰ আবদ্ধতা অতিক্ৰমি এক গোলকীয় (অৰ্থাৎ, সকলো দেশৰ সুকীয়াত্বক অতিক্ৰমি)— বিশ্ববেংকৰ জন্ম হৈছে। এই বিশ্ব বেংকেই দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী বিত্তীয় লেন-দেনৰ প্ৰশ্নসমূহ চোৱা-চিতা কৰে। এই হ্ৰস্বম্যাদী লেন-দেনৰ সমস্যাবোৰ চোৱা-চিতাৰ দায়িত্বত থকা আই এম এফেই হ'ল অতি সক্ৰিয় ৰূপত আজিৰ বিশ্বৰ প্ৰতিখন দেশৰে বিত্তীয় কাম-কাজত হস্তক্ষেপ কৰা গোলকীয় সংস্থা। আনহাতে বিশ্ববেংকৰে আনটো সংস্থা আইবিআৰডিয়ে দীৰ্ঘম্যাদী ঋণ তথা লেন-দেন নিয়ন্ত্ৰণ কৰে। এই দুয়োটা সংস্থাই বিত্তৰ ক্ষেত্ৰত গঢ়ি তোলা গোলকীয় ব্যৱস্থাটোৰ সমান্তৰালভাৱে আমি দেখা পাইছো পুঁজিপতিসকলৰ সাংগঠনিক ক্ষেত্ৰত এক গোলকীয় পৰ্ব আৰম্ভ হৈছে। বহু ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবিলাক হ'ল পুঁজিবাদী গোলকীয় প্ৰতিষ্ঠান— এইবিলাকৰ অংশীদাৰ বিশ্বৰ যিকোনো দেশৰে পুঁজিপতি হ'ব পাৰে। ৰাজস্ব ক্ষেত্ৰত



OKDISCD

বিশ্বৰ ব্যৱস্থাসমূহ গোলকীয় কৰিবৰ বাবে, অৰ্থাৎ মুক্ত বাণিজ্যৰ উপযোগী এক কৰ-ব্যৱস্থা, আমদানি-ৰপ্তানি শুল্কৰ ব্যৱস্থা তথা ৰাজ-সাহায্য হ্ৰাসকৰণৰ বা সুষমতা অৰ্জনৰ ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে বিশ্ব-বাণিজ্য সংস্থাক এক সংস্থা হিচাপে গঢ়ি তোলা হৈছে। এই গোলকীয় পৰ্বৰ ৰাজনীতি হ'ল গোলকীয় পুঁজিপতি, বহু ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবিলাকৰ প্ৰধান পিতৃভূমি— (১) আমেৰিকা, (২) ইংলেণ্ড, (৩) ফ্ৰান্স, (৪) জাৰ্মেনী, (৫) ইটালী, (৬) জাপান, (৭) কানাডা, (৮) অষ্ট্ৰেলিয়া— এই আঠখন দেশৰ জোঁটটো। এই জোঁটটোৰ লগত ৰাছিয়া, চীন, ভাৰত, ব্ৰাজিল আদি নব-শক্তিধৰ ৰাষ্ট্ৰবোৰৰ মৌলিক প্ৰভেদ নাই। এই দেশবোৰ সন্মিলিত হৈ গঢ়ি তুলিছে গোলকীয় মুক্ত বাণিজ্যৰ ব্যৱস্থা। ইয়াৰ ৰাজনৈতিক স্বাৰ্থ প্ৰতিফলিত কৰে ৰাষ্ট্ৰ সংঘই। ১৯৯১ চনত ৰাছিয়া আৰু তাৰ পাছতে অন্যান্য পূব-ইউৰোপীয় সাম্যবাদী দেশৰ পতনৰ পাছত বৰ্তমান এই গোলকীয় ব্যৱস্থাটো হৈ পৰিল একমেৰু বিশিষ্ট— সম্পূৰ্ণ আমেৰিকা (ইয়াৰ সহযোগী দেশসহ) নিয়ন্ত্ৰিত। গতিকে, সামাজিক, ৰাজনৈতিক, ভাষিক আৰু সাংস্কৃতিক ক্ষেত্ৰত আমেৰিকীকৰণৰ ইয়েই হ'ল গুৰি কথা।

[৬] এই গোলকীয় পৰ্বত বিশ্বৰ দেশে দেশে গোলকীয় নিয়ন্ত্ৰণ, নিৰ্দয়তা প্ৰদৰ্শন আৰু আমেৰিকাৰ নিৰ্দেশত একে আৰ্থ-ৰাজনৈতিক ব্যৱস্থা প্ৰবৰ্তনৰ যি প্ৰচেষ্টা চলিছে তাৰ বিৰুদ্ধে বিভিন্ন ৰূপত সংগ্ৰাম চলিছে। বৈজ্ঞানিক সত্যত বিশ্বাসীসকলে এই গোলকীয় নিয়ন্ত্ৰণৰ বিৰুদ্ধে ক্ষীণভাৱে হ'লেও মানৱীয়, গণতান্ত্ৰিক আৰু সাম্যবাদী যুঁজ এখন চলাই আছে। আনহাতে, ইয়াৰ সমান্তৰালভাৱে ধৰ্মীয় দৃষ্টি-ভঙ্গীৰ এচাম লোকে, ধৰ্মীয় শ্ৰেষ্ঠত্বৰ ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ আন এক সন্ত্ৰাসমূলক নিয়ন্ত্ৰণৰ যুঁজ আৰম্ভ কৰিছে। দেখাত আমেৰিকীকৰণৰ ই বিৰোধী। গতিকে মানুহৰ মনত সম্প্ৰতি ধৰ্মীয় মৌলবাদী সন্ত্ৰাস সম্পৰ্কে যিদৰে মোহ বাঢ়িছে, সেইদৰে তাৰ বিৰুদ্ধে ক্ষোভো বাঢ়িছে। আমেৰিকা যুক্তৰাষ্ট্ৰ তথা



OKDISCD

আমেৰিকাপন্থী দেশবোৰে এই ধৰ্মীয় মৌলবাদী সন্ত্রাস দমনৰ নামত এখনৰ পিছত আনখন দেশ সামৰিক-ৰাজনৈতিকভাৱে দখল কৰি গৈছে।

[৭] এই পটভূমিত আমাৰ দেশত অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, ভাষিক— সকলো ক্ষেত্ৰতে আৰম্ভ হৈছে ভয়ঙ্কৰ অৱদমনৰ এক মহাশক্তিশালী জাল। আমেৰিকীকৰণৰ এই জালখন যে পুঁজিবাদী ব্যৱস্থাৰেই চূড়ান্ত পৰ্বত সৃষ্টি হোৱা গোলকীয় জাল সেই সম্পৰ্কে আমাৰ ভিন্ন মত নাই।

প্ৰশ্ন হ'ল কাম কৰাৰ। বিশ্লেষণ সকলোৱে কৰে। আমি কামৰ কথা ভাবিছো। অৰ্থপূৰ্ণ ভাবে উল্লিখিত জালখনৰ পৰা মানুহক মুক্ত কৰা আৰু প্ৰকৃত গণতান্ত্ৰিক পথেদি মানুহক সংহতিপূৰ্ণভাৱে আগবাঢ়িবলৈ উদ্বুদ্ধ কৰাটো ধীমান লোকসকলৰ লগতে লেখকসকলৰো ঐতিহাসিক কৰ্তব্য বুলি আমি বিবেচনা কৰিছো।

[৮] অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক পৰিস্থিতি বৰ্তমান অতিশয় উদ্বেগজনক। অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সৃষ্টি হোৱা অবৰ্ণনীয় শোষণ-ভিত্তিক সংঘাতৰ বিপৰীতে এই অঞ্চলত নিষ্পেষিত জনজাতি তথা ক্ষুদ্ৰ জাতিসমূহে আৰম্ভ কৰিছে— এক বিৰতিবিহীন আৰু আপোচবিহীন স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম। সমান্তৰালভাৱে শ্ৰমিক, কৃষক আৰু সাধাৰণ মানুহেও আনহাতে বিভিন্ন ধৰণৰ গণতান্ত্ৰিক সংগ্ৰাম, অব্যাহত ৰাখিছে যদিও জাতীয় স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামসমূহৰ তুলনাত এনে গণতান্ত্ৰিক সংগ্ৰাম এতিয়াও দুৰ্বল। এই পটভূমিত সাম্প্ৰদায়িক আৰু অতীতমুখী সংগঠনসমূহো বহি থকা নাই আৰু কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰো বহি থকা নাই। সাম্প্ৰদায়িক আৰু অতীতমুখী সংগঠনবিলাকে ধৰ্মীয় পুনৰুত্থানবাদী মৌলবাদী চিন্তাৰে জন-সাধাৰণক বিভ্ৰান্ত কৰি ইছলামধৰ্মী, হিন্দু আৰু খৃষ্টান এই তিনিওধৰণৰ মৌলবাদী প্ৰৱণতাৰ জন্ম

OKDISCD

দিছে। অসমত হিন্দু মৌলবাদীৰ শক্তি সিমান দুৰ্বল নহ'লেও ইছলামধৰ্মী মৌলবাদী আৰু খৃষ্টান মৌলবাদী শক্তিৰ তুলনাত এই হিন্দু পুনৰুত্থানবাদী সোঁতটো দুৰ্বল। তুলনামূলক বিচাৰত মধ্যম আৰু নৰমপন্থী মানৱীয় সহনশীল ধাৰণাৰে পুষ্ট-শঙ্কৰী কৃষ্টি আৰু ধৰ্মৰ সংগঠনসমূহৰ প্ৰভাৱ বেছি। খৃষ্টান মৌলবাদী চিন্তাৰ প্ৰসাৰ আনহাতে প্ৰবল। বিভিন্ন খৃষ্টানধৰ্মীয় মিছনেৰী আৰু ধৰ্মীয়-সামাজিক সাহায্যমূলক স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে দেশী-বিদেশী খৃষ্টীয় মৌলবাদী তথা উত্থানবাদী শক্তিয়ে কাম কৰি আছে আৰু ইতিমধ্যে কিছুমান এলেকাত ভিন্নধৰ্মী, বিচ্ছিন্নতাবাদী প্ৰবাহ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। ইছলামধৰ্মী মৌলবাদী শক্তিবোৰৰ প্ৰভাৱেই আটাইতকৈ বেছি। এই সংগঠনবিলাকেই অসমত সদ্যহতে ধ্বংসাত্মক দৃষ্টিভংগীৰ তেৰটামান মৌলবাদী সন্ত্ৰাসবাদী গোটৰ জন্ম দিছে যাৰ উদ্দেশ্য মূলতঃ ইছলামিক সম্প্ৰসাৰণবাদী।

এই পটভূমিত অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক নেতৃত্বত এক অৰাজকতা সৃষ্টি হৈছে বুলি ক'লেও বঢ়াই কোৱা নহয়। অসমত এতিয়া কোনো সংগঠিত জাতীয় আৰু গণতান্ত্ৰিক বৌদ্ধিক তথা সাংস্কৃতিক সংগ্ৰাম নাই। জাতীয় বৌদ্ধিক আৰু সাংস্কৃতিক সংগঠনবিলাক এতিয়া নেতৃত্বৰ খোৱা-কামোৰা, পদবীৰ মোহ, ন্যস্ত ৰাজনৈতিক আৰু সামাজিক স্বাৰ্থৰ সংকীৰ্ণতা আৰু আদৰ্শহীনতাৰ ফলত মৃতপ্ৰায় আৰু যিবোৰ জীয়াই আৰু সেইবোৰো লক্ষ্যবিহীন। ব্যক্তিত্বশীল লোক নথকা নহয়; কিন্তু তেওঁলোক হৈ পৰিছে স্বাৰ্থান্বেষী, সংকীৰ্ণ, লক্ষ্যবিহীন বা প্ৰবল ধুমুহা জৰ্জৰিত সমুদ্ৰত পালহীন নৌকাযাত্ৰী। আদৰ্শগত, সামাজিক, সাংস্কৃতিক, বৌদ্ধিক সকলো দিশতে এক সংকট আৰু শূণ্যতা। এনে পটভূমিত আমি এক দৃঢ় সংগঠনৰ প্ৰয়োজন অনুভৱ কৰিছো— যি অসমৰ জাতীয় আৰু গণতান্ত্ৰিক বিকাশৰ পথত সৃষ্টি হোৱা সংকটৰ বিপৰীতে অবিৰতভাৱে কাম কৰিব।



OKDISCD

উল্লিখিত পটভূমিটো যিহেতু সাধাৰণ ধৰণৰ, গতিকে ইয়াৰ সামগ্ৰিক চৰিত্ৰ আৰু বৈচিত্ৰ্যৰ পৰা অসমখনো মুক্ত নহয়। ধীমান লোক আৰু লেখক তথা শিল্পীসকলে এই পটভূমিত এফালে আমেৰিকীকৰণৰ জৰিয়তে বলীয়ান, অগণতান্ত্ৰিক তথা অৱদমনকাৰী হৈ পৰা নিপীড়নকাৰী শক্তিসমূহৰ বিৰুদ্ধে যিদৰে মানুহক সজাগ আৰু সচেতন কৰি তুলিব লাগিব, ঠিক সেইদৰে প্ৰতিৰোধী সংগ্ৰামেৰে যাতে ধৰ্মীয় সাম্প্ৰদায়িক (হিন্দু মৌলবাদী, খৃষ্টান মৌলবাদী, ইছলামিক মৌলবাদী) ৰূপ নলয়, নৃগোষ্ঠীগত আৰু ভাষিক সংকীৰ্ণতা আৰু সাম্প্ৰদায়িকতাই মূল সংগ্ৰাম যাতে লক্ষ্যভ্ৰষ্ট নকৰে তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। একেদৰে অমূলক সন্ত্ৰাসৰ ঠাইত মানুহে যাতে মানুহৰ মাজত সংগ্ৰামী সংহতি আৰু মিত্ৰতা গঢ়ি তুলি প্ৰকৃতাৰ্থত এক বিকল্প গঢ়ি তোলাৰ প্ৰয়াস কৰিব পাৰে — সেই উদ্দেশ্য আগত ৰাখি কাম কৰিব লাগিব।

মূলতঃ যিহেতু সঠিক বৌদ্ধিক সাধনাৰ লগতে সংগঠনটোৰ কাম-কাজ সীমাবদ্ধ থাকিব, গতিকে এই ঘোষণা-পত্ৰৰ থোৰতে আলোচনা কৰা লক্ষ্য-উদ্দেশ্যৰ লগত সংগতি ৰাখি এখন সংবিধানৰ ভিত্তিত সংগঠিত ভাবে কাম কৰিবলৈ মঞ্চৰ প্ৰস্তুতি কমিটী প্ৰতিজ্ঞাবদ্ধ হৈছে। ●

OKDISCD

লেখক মঞ্চ, অসমৰ প্ৰস্তুতি সমিতিৰ হৈ যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, বিশ্বজিৎ চক্ৰৱৰ্তী, শংকৰ শইকীয়া, জলদবৰণ মহন্তৰদ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। নৱেম্বৰ, ২০০৬
যোগাযোগৰ ঠিকনা ঃ মিলনপথ, নামঘৰ পথ, সৰুমটৰীয়া, গুৱাহাটী-৬
ফোন ঃ ৯৮৬৪২/৭৬৯৮১
ছপা ঃ প্ৰিণ্টৱৰ্থ, কামাখ্যাগেট, গুৱাহাটী-৯ :: দূৰভাষ - ২৫১০০১১:: ৯৮৬৪০-৪৫১৯৬ (মো)

"মোৰ গানত জ্বলে
শত যুগৰ শত অভিযানে
মোৰ গানে বিচাৰে
চিৰ দুখীয়াৰ
চিৰ পৰিত্ৰাণ।
মোৰ গানত গুমৰি
ভূইকঁপে কৰে
পৃথিৱীৰ নিৰ্বাণ
মোৰ গানৰ জুয়ে জগত পুৰিব
দুষ্কৃত সাৱধান।
মোৰ অস্থিৰে মই ৰচিছো বজ্ৰগান।
প্ৰালয়িকী মোৰ জাগিছে ছন্দ
কৃতান্ত মূৰ্ত্তিমান
গানেৰে মই বিশ্বজীৱন
কৰি আছো আহ্বান।"

—জ্যোতি প্ৰসাদ আগৰৱালা

OKDISCD